**2019**

ASSAMESE

( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) অসমত কেতিয়াৰ পৰা 'ব্ৰজাৱলী' শব্দটো প্ৰচলিত হয় ?

(খ) 'উজ্জ্বলনীলমণি'ত ৰূপ গোস্বামীয়ে নায়িকাক কেইটা ভাগত ভগাইছে ?

(গ) 'সঙ্গীত মাধৱ' নাটকখন কোনগৰাকী বৈষ্ণৱ কবিয়ে ৰচনা কৰিছিল ?

(ঘ) মহাপুৰুষ মাধৱদেৱ বিৰচিত 'চিৰন্তন মাতৃ' বৰগীতটিত কি ৰাগ ব্যৱহাৰ কৰা হৈছে ?

(ঙ) জ্ঞানদাসৰ ৰাধাৰ এটি বৈশিষ্ট্য লিখা।

(চ). বিদ্যাপতিৰ 'লিখনাৱলী' কি বিষয়ক গ্ৰন্থ ?

(ছ) ''গোকুলক মঙ্গল দূৰ গয়ো নাহি
বাজত বেণু বিষাণ॥''

উল্লিখিত কবিতাংশত থকা 'বিষাণ' শব্দটোৰ অৰ্থ কি?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) শংকৰদেৱ-মাধৱদেৱৰ বৰগীতৰ লগত আন বৈষ্ণৱ গীতাৱলীৰ এটিকৈ সাদৃশ্য আৰু বৈসাদৃশ্য উল্লেখ কৰা।

(খ) 'পহিলহি ৰাগ নয়ন-ভঙ্গ ভেল'—শীৰ্ষক গীতটো কোনে, কাৰ আগত গাই শুনাইছিল?

(গ) ''দুহুঁ দুহুঁ পুছইতে দুহুঁ মতি বাম।
দুহুঁ সে কহল নিজ সহচৰী নাম॥''

উল্লিখিত কবিতাংশ কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে আৰু কবিতাটোৰ কবিগৰাকী কোন?

(ঘ) শংকৰদেৱৰ প্ৰথম বৰগীতটো কি আৰু ক'ত ৰচনা কৰিছিল?

৩। ব্যাখ্যা কৰা (যি কোনো **তিনিছোৱা**) : ৫×৩=১৫

(ক) কুলিস সত সত পাত মুদিত
ময়ূৰ নাচত মাতিয়া।
মত্ত দাদুৰ ডাক ডাহুক
ফাটি জাৰত ছাতিয়া॥

(খ) ললিতাদি সখী মিলি মংগল হুলাহুলি
শ্যাম-দৰশ-ৰস-আশে।
দুহু দুহু হেৰইতে গুহু চিত পুলকিত
বলি হাৰি গোৱিন্দদাসে॥

(গ) পুত পুত বুলি আঞ্চোৰে মোচল
শ্যাম শৰীৰক ধূলি ।
মেৰা বাবু বুলি খীৰ পিয়াৰত
বাহু মেলি কোলে তুলি ॥

(ঘ) জব নিশি বাহিৰে পয়ান ।
শীকৰে নিকলে পৰাণ ॥
দিনকৰ দিবস উপেখি ।
অলিকূল কমলে না পেখি ॥

(ঙ) চান্দ বিনে ৰয়নী সজনি কিছু নোহে ।
হৰি বিনে বিৰিন্দা-বিপিন নাহি সোহে ॥

৪ । (ক) ব্ৰজবুলি বা ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্য বিচাৰ কৰি অসম, উৰিষ্যা আৰু বঙ্গৰ মধ্যযুগৰ কবিসকলে এই ভাষাৰে গীত-পদ ৰচনা কৰাৰ কাৰণসমূহ বিশ্লেষণ কৰা । ১০

*অথবা*

(খ) ''অসম এৰি আন প্ৰদেশৰ ব্ৰজবুলি গীতৰ এটি বিশেষ বিশেষত্ব নায়িকাভেদৰ ৰূপ স্পষ্টভাৱে প্ৰকট হৈ উঠাটো ।'' তোমাৰ পাঠ্যাংশৰ আধাৰত উক্ত অভিমতৰ যথাৰ্থতা বিচাৰ কৰা । ১০

৫ । (ক) তোমাৰ পাঠ্যত থকা শংকৰদেৱৰ আৰু ৰামানন্দৰ 'মাথুৰ-বিৰহ'-বিষয়ক কবিতাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা । ১০

*অথবা*

(খ) 'ব্ৰজবুলি-গীতি-গুচ্ছ'ৰ অন্তৰ্ভুক্ত তোমাৰ পাঠ্যাংশৰ আধাৰত গীতবোৰৰ মাজেৰে ভগৱদ-ভক্তিৰ অভিব্যক্তি গীতিকাৰসকলে কিদৰে প্ৰকটিত কৰিছে, আলোচনা কৰা। ১০

৬। (ক) 'ব্ৰজবুলি-গীতি-গুচ্ছ'ৰ তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত গীতবোৰৰ মাজেৰে ৰাধাৰ চৰিত্ৰ অঙ্কনত কবিসকলৰ কি বৈচিত্ৰ্য লক্ষ্য কৰা যায়, বিচাৰ কৰা। ১০

*অথবা*

(খ) ব্ৰজবুলি সাহিত্যত নায়িকাভেদৰ চিত্ৰ কেনেদৰে অংকিত হৈছে, তোমাৰ পাঠ্য কবিতাৰ পৰা উদাহৰণ দি যি কোনো দুই প্ৰকাৰৰ নায়িকাৰ লক্ষণ আৰু স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ১০

★★★